... সন্মিলন। দিনৰ ২ বজাত উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# গোৱালপাৰা মহাবিদ্যালয়ত আলোচনাচক্ৰ

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১ মাৰ্চ ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ উদ্যোগত আজি 'ঔপনিবেশিক কালৰ গোৱালপাৰাৰ বাণিজ্য' শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে সঞ্চালনা কৰা আলোচনাচক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে শিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক অমৰেন্দ্ৰ কুমাৰ ঠাকুৰ। অধ্যাপক ঠাকুৰে ভাষণ প্ৰসংগত উত্তৰ-পূব ভাৰতৰ ইতিহাস চৰ্চাত গোৱালপাৰাৰ ঐতিহাসিক গুৰুত্ব উপেক্ষা কৰি অহা হৈছে বুলি উল্লেখ কৰে। তেওঁ আৰু কয় যে প্ৰাচীন কাল, মধ্যযুগ আৰু ঔপনিবেশিক কালত উত্তৰ-পূব ভাৰতৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত গোৱালপাৰাৰ যি ঐতিহাসিক গুৰুত্ব, তাক উপযুক্ত প্ৰেক্ষাপটত দাঙি ধৰা হোৱা নাই। ভূটান আৰু গাৰোপাহাৰৰ লগতে আহোম ৰাজ্যৰ ব্যৱসায়-বাণিজ্য মূলতঃ গোৱালপাৰাৰ পথেদিয়েই পৰিচালিত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে গোৱালপাৰাৰ বিভিন্ন বনজ সম্পদ, কপাহ, হাতী আদিৰ ব্যৱসায়ত বিশেষ গুৰুত্ব আছিল। প্ৰাচীন কালৰে পৰা গোৱালপাৰাৰ ইতিহাসৰ পুনৰ্নিৰ্মাণৰ জৰিয়তে গোৱালপাৰাৰ এক সামগ্ৰিক বুৰঞ্জী ৰচনাৰ প্ৰয়োজন আছে বুলি তেওঁ উল্লেখ কৰে।



আলোচনাচক্ৰ সঞ্চালনা কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে প্ৰাক ঐতিহাসিক কালৰ পৰা গোৱালপাৰাৰ যি গুৰুত্ব বিশেষকৈ শ্ৰীসূৰ্য পাহাৰৰ পুৰাতত্ত্ব গৱেষণাই উত্তৰ-পূব ভাৰতৰ ইতিহাসত নতুন অধ্যায়ৰ সংযোজন কৰিব পাৰে বুলি মন্তব্য কৰে। আলোচনাচক্ৰত গোৱালপাৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক যশৱন্ত ৰায়, অধ্যাপক ড° ৰোডী ফাৰহেইন, সহকাৰী অধ্যাপক নিখিল মালাকাৰেও বক্তব্য দাঙি ধৰে। আলোচনাচক্ৰত প্ৰাক্তন অধ্যাপক ড° সিদ্ধিনাথ শৰ্মা, বি এন কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অহিজুদ্দিন শ্বেখেও বিষয়বস্তু সন্দৰ্ভত ভাষণ দিয়ে। আলোচনাচক্ৰত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।